# “টাই খাময়াং সকলৰ ভৌতিক সংস্কৃতি”

কাকতৰ নাম ঃ- প্ৰকল্প

কাকত নংঃ- DSE - 2 (B)


তত্বাৱধায়ক

শ্ৰীমতী কুকিলা শ্যাম

গৱেষক, অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

প্ৰস্তুতকৰ্তা

নামঃ- শ্ৰীমতী ৰূপশিখা হাজৰিকা

শ্ৰেণীঃ- স্নাতক ষষ্ঠ যাণ্মাসিক

ৰোল নং - ৮৯


## অসমীয়া বিভাগ
## নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
## ২০২২ বৰ্ষ

# কৃতজ্ঞতা জ্ঞাপন

"টাই খাময়াং সকলৰ ভৌতিক সংস্কৃতি"— এটি সমীক্ষাত্মক অধ্যয়নৰ শীৰ্ষক গৱেষণা গ্ৰন্থখন কুকিলা শ্যাম বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিষয়বস্তুৰ নিৰ্বাচনৰ পৰা গৱেষণা বিষয়ত বহুমূলীয়া দিহা-পৰামৰ্শৰ লগতে বিভিন্ন সমস্যাসমূহ সমাধানত কুকিলা শ্যাম বাইদেউৱে সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে যাৰ বাবে তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষনা গ্ৰন্থৰ বাবে বিভিন্ন তথ্য সৰ্ম্পকে সম্ভেদ দি মোৰ গৱেষণা গ্ৰন্থত সহযোগিতা আগবঢ়োৱা তিতাবৰ ১নং বালিজান শ্যাম গাঁৱৰ চৈমেত শ্যাম আৰু গাৰ্গী শ্যামকো ধন্যবাদ জনালোঁ।

মোৰ গৱেষনা পত্ৰত কৰ্মৰ বাবে আগবঢ়োৱা অনুমতি প্ৰদান কৰা নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ কৰ্মকতাক ধন্যবাদ জনালোঁ।

ডি.টি.পি ত সহায় কৰা ৰিংকি হাজৰিকা, গৱেষনাৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লগত যোৱা কিতাপ পত্ৰ দি সহায় কৰা মোৰ মৰমৰ বান্ধৱী ৰিমলী বৰা, লখিমী দাসলৈ আৰু গৱেষনা কাৰ্যত আৰম্ভণিৰে পৰা শেষলৈ সহায় সহযোগিতা আগবঢ়োৱা মা-দেউতা, মামা-মামীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

ৰূপশিখা হাজৰিকা

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
# স্থাপিত ঃ ১৯৫৯

## প্ৰমাণ পত্ৰ

শ্ৰীমতী ৰূপশিখা হাজৰিকা স্নাতক কলা শাখাৰ ষষ্ঠ যান্মাসিকৰ ৰোল নং ঃ ৩০৮১০১৫৫, পঞ্জীয়ন নং - S1921749 ৰ ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত DSE-2(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে 'টাই খাময়াংসকলৰ ভৌতিক সংস্কৃতি' বিষয়ত গৱেষণা কাৰ্য সম্পূৰ্ণ কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

তত্ত্বাৱধায়ক

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০

প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী ৰূপশিখা হাজৰিকা স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ **৩০৮১০১৫৫**) ৰ ছাত্ৰী। তেওঁ কুকিলা শ্যামৰ তত্বাৱধানত **DSE-2(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"টাই খাময়াংসকলৰ ভৌতিক সংস্কৃতি"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

# সূচীপত্ৰ


০.০০ প্ৰস্তাৱনা

০০.০১ বিষয়ৰ পৰিচয়

০.০২ বিষয়ৰ গুৰুত্ব আৰু উদ্দেশ্য

০.০৩ বিষয়ৰ পৰিসীমা

০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি

০.০৫ বিষয়ৰ পূৰ্বকৃত অধ্যয়ন

**<u>প্ৰথম অধ্যায়</u>**

১.০০ টাই খাময়াং সকলৰ চমু পৰিচয়

**<u>দ্বিতীয় অধ্যায়</u>**

২.০০ টাই খাময়াং সকলৰ ভৌতিক সংস্কৃতি

২.০১ টাই খাময়াং সকলৰ লোকশিল্প

২.০২ টাই খাময়াং সকলৰ লোককলা

২.০৩ টাই খাময়াংসকলৰ স্থাপত্যবিদ্যা

২.০৪ টাই খাময়াংসকলৰ  লোক আভৰণ

২.০৫ টাই খাময়াংসকলৰ  লোক ৰন্ধন প্ৰণালী

**<u>তৃতীয় অধ্যায়</u>**

উপসংহাৰ

সিদ্ধান্ত

গ্ৰন্থপঞ্জী

তথ্যদাতাৰ নাম

আলোক চিত্ৰ

**০.০০ প্ৰস্তাৱনাঃ**-আমাৰ আলোচনাৰ বাবে নিৰ্বাচিত বিষয়টি হ'ল 'টাই খাময়াংসকলৰ ভৌতিক সংস্কৃতি'। লোকসংস্কৃতিৰ এটা প্ৰধান ভাগ হ'ল ভৌতিক সংস্কৃতি মানৱ জীৱনৰ মৌলিক প্ৰয়োজনসমূহত ভৌতিক সংস্কৃতি প্ৰাধান্য বেছি। জীৱনৰ লগত এই বিধ কলাৰ সম্পৰ্ক অতিকৈ গভীৰ। মূলতঃ দৃশ্যগত আচৰণৰ ওপৰত নিৰ্ভৰশীল। এই কলাত পৰম্পৰাগত আৰু ব্যক্তিগত পৰিৱৰ্তন ক্ৰিয়া কৰি থাকে। এই বিষয়টোত লোকশিল্প, লোক কলা, লোকস্থাপত্য বিদ্যা, লোক আভৰণ, লোক ৰন্ধন প্ৰণালী, লোক খাদ্য দিশ সমূহ সন্নিৱিষ্ট হৈ আছে। অসম ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰত এখন নন্দনকানন।

**০.০১ বিষয়ৰ পৰিচয়ঃ**- অসমৰ লোকসংস্কৃতি বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত সৃষ্টি। তাৰেই এটা জনগোষ্ঠী হৈছে টাই-খাময়াং সকল। এওঁলোক উত্তৰ-পূব ভাৰতৰ অসম অৰুণাচল প্ৰদেশত বাস কৰা লোক। বৰ্তমানে বৌদ্ধধৰ্মী খাময়াংসকলে নিজা কৃষ্টি অটুত ৰাখিবলৈ সৃষ্টি হৈছে। এই গৱেষণা পত্ৰখনিৰ প্ৰথম অধ্যায়ত টাই খাময়াংসকলৰ চমু পৰিচয় দাঙি ধৰা হৈছে। আলোচনাৰ দ্বিতীয় অধ্যায়টোত লোকশিল্প, লোককলা, লোক স্থাপত্যবিদ্যা, লোক আভৰণ, লোক প্ৰণালী খাদ্য, লোক ৰন্ধন প্ৰণালী বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে।

**০.০২ বিষয়ৰ গুৰুত্ব আৰু উদ্দেশ্যঃ**- অসমত বসবাস কৰা খাময়াংসকলৰ লোক জীৱনক সকলোৰে দৃষ্টি গোচৰ কৰোৱাই আমাৰ এই গৱেষণা পত্ৰখনিৰ মূল উদ্দেশ্য। উত্তৰ-পূৱ ভাৰতৰ খাময়াংসকলৰ বিষয়ে অতি কমসংখ্যক তথ্যহে পূৰ্বসৃষ্ট লেখকসকলৰ লেখনিৰ মাজত পৰিলক্ষিত হয়। তেওঁলোকৰ ভাষা-ভৌতিক সংস্কৃতি আদিৰ সন্দৰ্ভত আজিও পূৰ্ণাংগভাৱে অধ্যয়ন হোৱা নাই। অসম ৰাজ্যত বসবাস কৰা সীমিত খাময়াং সকলো কোনোদিনা আন এক শক্তিশালী সংস্কৃতিৰ লগত বিলীন হৈ চিৰদিনলৈ নিজৰ অস্তিত্ব হেৰুৱাই পেলোৱাটো একো অস্বাভাৱিক কথা নহয়। এনে এক সন্ধিক্ষণত খাময়াংৰ দৰে সৰু সৰু জনগোষ্টীবোৰক জনচক্ষুৰ আঁৰত নাৰাখি সকলোৰে আগত পৰিচয় কৰাই দিয়াৰ সময় সমাগত। এইক্ষেত্ৰত তেওঁলোকৰ ভৌতিক সংস্কৃতিৰ বিষয়ে সংহত আৰু পদ্ধতিগত আলোচনাই যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। কাৰণ এনে আলোচনাই দেশৰ বিভিন্ন প্ৰান্তৰ মানুহক সেই জনগোষ্ঠীটোৰ ওচৰ চপাই অনাত সহায়ক ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

**০.০৩ বিষয়ৰ পৰিসীমাঃ**-বিষয়ৰ পৰিসীমা খাময়াংসকলৰ প্ৰধানকৈ দিশ কেইটিমান হৈছে — লোকশিল্প, লোককলা, লোকস্থাপত্য বিদ্যা, লোক আভৰণ, লোক খাদ্য, লোক ৰন্ধন প্ৰণালী। এই দিশকেইটাৰ সম্পৰ্কে এই গৱেষণা পত্ৰখনিত বিশ্লেষণ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ পৰিসৰ হিচাপে অসম ৰাজ্যৰ যোৰহাট জিলাৰে বালিজান অঞ্চলক অন্তৰ্ভূক্ত কৰা হৈছে।

**০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতিঃ**- এই গৱেষণা পত্ৰখনি মূলতঃ বৰ্ণনাত্মক আৰু বিশ্লেষনাত্মক পদ্ধতিৰ আলোচনা কৰা হৈছে।

**০.০৫ বিষয়ৰ পূৰ্বকৃত অধ্যয়নঃ**- অসমৰ প্ৰাচীন জাতি টাই খাময়াংসকৰ বিষয়ে যে পূৰ্বতে কোনেও অধ্যয়ন কৰা নাই তেনে নহয়, কিন্তু খাময়াং জাতিৰ সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ পাতি পোৱা গৈছে যদিও গৱেষণা পত্ৰ এখন প্ৰস্তুত কৰিবলৈ সেইখিনিয়ে পৰ্যাপ্ত নহয়। প্ৰত্যেক বিষয়ৰে পুংখানু-পুংখ তথ্য আৰু বিশ্লেষনেহে বিষয়বস্তুক প্ৰকৃত মাত্ৰা প্ৰদান কৰে। বৰ্তমান পৰিৱেশ পৰিস্থিতি তথা সমল আৰু তথ্যপাতিৰ অভাৱত এই গৱেষণাত অন্তৰ্ভূক্ত কৰিবলগীয়া পূৰ্বকৃত অধ্যয়নটো বাদ পৰি গৈছে।

# প্ৰথম অধ্যায়

**১.০০ টাই খাময়াংসকলৰ চমু পৰিচয়ঃ**- উত্তৰ-পূৰ ভাৰতৰ অসম ৰাজ্যত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত টাই খাময়াং সকল অন্যতম। এওঁলোক পূৰ্বতে চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ 'য়ুন্নান' প্ৰদেশৰ মুংমাও বা মাও-লোঙ নামৰ ঠাইৰ অধিবাসী আছিল। ত্ৰয়োদশ শতিকাৰ মাজভাগৰ পৰা বৰ্তমান টাই-খাময়াং সকল উত্তৰ-পূৰ ভাৰতৰ অসম আৰু অৰুনাচল প্ৰদেশত বসবাস কৰা অঞ্চলসমূহৰ ভিতৰত অসমৰ যোৰহাট জিলাৰ তিতাবৰ মহকুমা অন্তৰ্গত ন শ্যাম গাঁও, বেতবাৰী শ্যাম গাঁও জনাজাত। তিনিচুকীয়া অবিভক্ত শিৱসাগৰ, গোলাঘাট জিলাত কেইবাখনো খাময়াংলোক বসবাস কৰা গাঁও আছে। তিনিচুকীয়া মাৰ্ঘেৰিটাৰ, অবিভক্ত শিৱসাগৰ জিলাত চলাপথাৰ, গোলাঘাট জিলাৰ ৰাজপুখুৰী শ্যাম গাঁও।

টাই খাময়াং সকলৰ ভাষা, ধৰ্ম, সংস্কৃতি, নিঃসন্দেহে এক বৃহৎ অসমীয়া জাতি। খাময়াংসকলে বংশানুক্ৰমে কিছুমান স্বকীয় পৰম্পৰা আৰু সংস্কৃতি ৰক্ষা তথা পালন কৰি আহিছে। সময়ৰ সোঁতত মূল প্ৰথাবোৰৰ বহুতো পৰিৱৰ্তন ঘটিছে যদিও মূল প্ৰথাবোৰৰ স্বকীয়তা এতিয়াও অপৰিৱৰ্তিত ৰূপত জীয়াই আছে।

ভাষা ফালৰ পৰা চাবলৈ গ'লে টাই খাময়াংসকলৰ মূল ভাষা হ'ল টাই খাময়াং। কিন্তু নিজকে সমাজৰ লগত খাপ খোৱাই চলিব লগা হোৱাত অসমীয়া ভাষাকে আকোঁৱালি লৈ বৃহত্তৰ অসমীয়া জাতি হিচাপে পৰিচিত হয়। এওঁলোকৰ মাজত পালি ভাষা সাহিত্য বিশেষ চৰ্চা কৰা হয়।

ধৰ্মৰ ফালৰ পৰা চাবলৈ গ'লে খাময়াংসকল থেৰবাদী বৌদ্ধধৰ্মালম্বী লোক। তেওঁলোকৰ প্ৰতিখন গাঁৱত একোগৰাকীকৈ বৌদ্ধ ভিক্ষু। এই বৌদ্ধ বিহাৰ সমূহ শিক্ষাৰ একো একোটা কেন্দ্ৰস্থল। বৌদ্ধবিহাৰত খাময়াংসকলৰ বহুতো পৌৰাণিক সমল আছে। উচিত সংৰক্ষণৰ অভাৱত মূল্যৱান সম্পদসমূহ নষ্ট হৈ যোৱা দেখা যায়। মান সেনাপতি মিঙ্গিমাৰা ৰান্দোলাই বালিজান শ্যাম গাঁওৰ বৌদ্ধ বিহাৰত দি গৈছিল সোণৰ বৌদ্ধ মূৰ্তিৰ লগতে টেমা আকৃতিৰ সুন্দৰ চানেকি থকা কেইপদমান সম্পদ।

সাজপাৰৰ ক্ষেত্ৰত খাময়াংসকলৰ নিজা জনগোষ্ঠীয় সাজপাৰ পৰিধান কৰে। পুৰুষসকলে ফানং, ছেউ, ফা-ফক আদি পৰিধান কৰে। আনহাতে মহিলা সকলে ক'লা মেখেলা বা চিন , চাইকাপ আদি পৰিধান কৰে।

বাসস্থান হিচাপে খাময়াংসকলে চাংঘৰত বসবাস কৰে। চাংঘৰ আৰু ভঁৰাল তেওঁলোকৰ বৈশিষ্ট্য। প্ৰায় ৭-৮ ফুট ওখ চাংঘৰবোৰ তাঠ-বাঁহ-খেৰ, টকৌ আদিৰ সজা প্ৰত্যেক চাংঘৰৰ তলত থাকে এখন তাঁত শাল।

খাময়াংসকলৰ প্ৰধান আহাৰ ভাত। সিজুৰা কচু, ঢেকীয়া, বাঁহগাজ, তিতাফুল, কলমৌ, লচকচী, কাঠফুল ইত্যাদি বনশাক খাময়াং সকলৰ প্ৰিয় খাদ্য। মচলাৰ ব্যৱহাৰ এওঁলোকে কমকৈ কৰে। মাছ-মাংস শুকুৱাই সংৰক্ষণ কৰি থোৱা খাদ্যবোৰ পিছত জুটি লগাই খায়। বাকলি থকা মাছ আৰু গাহৰি মাংখ আচাৰ কৰি খায়।

# দ্বিতীয় অধ্যায়

**২.০০ খাময়াং সকলৰ ভৌতিক সংস্কৃতি ঃ-** লোক সংস্কৃতিৰ এটা প্ৰধান ভাগ হৈছে 'ভৌতিক সংস্কৃতি' মানৱ জীৱনৰ মৌলিক প্ৰয়োজন সমূহত ভৌতিক সংস্কৃতিৰ প্ৰাধান্য বেছি। খাময়াংসকল ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰত চহকী বুলি কোৱা হয় যদিও এই খাময়াংসকল সকলো দিশতে সম্পূৰ্ণ ভাৱেও চহকী হোৱা দেখা নাযায়। ভৌতিক সংস্কৃতিৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে কেইটিমান গুৰুত্বপূৰ্ণ দিশক সামৰি লোৱা দেখা যায়। এই দিশ কেইটা হৈছে লোকশিল্প, স্থাপত্যবিদ্যা, লোক আভৰণ, লোক খাদ্য, লোক ৰন্ধন প্ৰণালী।

**ভৌতিক সংস্কৃতিয়ে সামৰি লোৱা এই দিশকেইটাৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'ল—**

**২.০১ লোকশিল্প ঃ-** লোকসমাজ সাধাৰণতে স্বভাৱ শিল্পীৰে ভৰপূৰ। দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আদি আৰম্ভ কৰি বিভিন্ন উৎসৱ অনুষ্ঠানত বিশেষভাৱে প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰীলৈকে ইয়াৰ পৰিসৰ পৰিব্যাপ্ত হৈ আছে। অসমীয়া লোকসমাজে ইয়াৰ ব্যতিক্ৰম নহয়। মূলতঃ লোকশিল্পই ব্যক্তিজীৱন তথা সামূহিক জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰে। যদিও বহুসময়ত এইবোৰে অৰ্থনৈতিক দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে।

খাময়াংসকলৰ লোকশিল্পসমূহক কেইবাটাও বিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত এই ভাগকেইটা বহলাই আলোচনা কৰা হ'ল—

(ক) বয়নশিল্প ঃ- খাময়াং শিপিনীয়ে 'তাঁতশালত সপোন ৰচে' বুলি কোৱা হয়। 'ছাঁতে শুকুৱা মুঠিতে লুকুৱা' অসমৰ পাট-মুগাৰ কাপোৰ জগত বিখ্যাত মধ্যযুগৰ পৰাই অসমৰ খাময়াংৰ এড়ি, মোগা আৰু পাট বস্ত্ৰৰ বিদেশৰ বজাৰত এক সুকীয়া স্থান অধিকাৰ কৰিছিল। ৰং-বিৰঙৰ আঁচু-সূতা গুণাৰে বনকৰা তথা মিনাকৰা ফুলৰ চানেকীৰ বাবে খাময়াং শিপিনী বিখ্যাত।

খাময়াং শিপিনীয়ে এশ, ডেৰশ, তিনিশ কাঠীৰ ফুলে চানেকি চাদৰ বা মেখেলাত বাছে। আঠ, চাৰি, বা ছপহীয়া ফুল তাঁতত দক্ষতাৰে ফুটাই তোলে। এইবোৰৰ উপৰি ৰিহা, মেখেলা-চাদৰ, চোলা, লুঙী, পৰম্পৰাগত গামোচা আদি নিত্য ব্যৱহাৰ্য কাপোৰ ঘৰতে বৈ লয়।

(খ) মৃৎশিল্প ঃ- যিবোৰ সামগ্ৰী মাটি ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হয় তাকে মৃন্ময় সামগ্ৰী বুলি কোৱা হয়। ইয়াৰ লগত জড়িত শিল্পই হ'ল মৃৎশিল্প অসমৰ খাময়াং সকলৰ মাজত প্ৰাগ-ঐতিসাহিক কালৰে পৰা মৃৎশিল্পৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। মূলতঃ কুমাৰ আৰু হীৰাসকল এই বৃত্তিধাৰী লোক। গৃহস্থলী তথা অন্যান্য কাৰ্যত ব্যৱহৃত বিভিন্ন সঁজুলি টেকেলি, গিলাচ, খোলা ইত্যাদি সামগ্ৰীবোৰ খাময়াং সকলেও ব্যৱহাৰ কৰি আহিছে।

(গ) বাঁহ নিৰ্মিত শিল্প ঃ- খাময়াং সংস্কৃতিৰ এটা প্ৰধান উপাদান হ'ল বাঁহ। জন্মৰ পৰা মৃত্যুলৈকে খাময়াংসকলৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী হ'ল এই বাঁহ। খেতি কৰিবলৈ বাঁহেৰে তৈয়াৰ কৰা বিভিন্ন সঁজুলি ব্যৱহাৰ কৰা হয়। ঘৰ-দুৱাৰ সাজিবলৈও বাঁহৰ প্ৰয়োজন হয়।

যুঁৰলি ঃ- মাটি চহাবলৈ গৰু যুটিবৰ বাবে ৫-৬ ফুট দীঘল বাঁহ সাধাৰণতে ভলুকা বাঁহ ব্যৱহাৰ কৰা হয়।

মৈঃ- প্ৰায় ৮-৯ ফুট দীঘল এডাল ভলুকা বাঁহ দুফাল কৰি দুই মূৰত এটাকৈ বাঁহৰ শলা মাৰি মাজ ভাগত দুটা বাঁহৰ বহল পাত লগাই লৈ নিৰ্মাণ কৰা হয়।

জবকাঃ- প্ৰায় ৮-৯ ফুট দীঘল এডাল ভলুকা বাঁহ দুফাল কৰি দুই মূৰত এটাকৈ বাঁহৰ শলা মাৰি মাজ ভাগত দুচটা বাঁহৰ বহল পাত লগাই লৈ নিৰ্মাণ কৰা হয়।

জাপিঃ- খেতি কঁৰোতে ৰ'দ বৰষুণৰ পৰা ৰক্ষা পাবলৈ বাঁহ, টকৌপাত আদিৰে ঘূৰণীয়াকৈ মূৰত ল'বৰ বাবে জাপি নিৰ্মাণ কৰা হয়।

এচাৰিঃ- ভলুকা বাঁহৰ হাত ২-৩ ফুট দীঘলকৈ এডাল চেকনী কাটি আনি তাৰ আবিবোৰ কাটি এচাৰি তৈয়াৰ কৰা হয়।

জাকৈঃ- বাঁহৰ মিহি কাঠীৰে তিনিখন চালনী বনাই জাকৈ আকৃতিৰ বাঁহৰ ফ্ৰেমত  বান্ধি মাছ ধৰিবৰ বাবে জাকৈ নিৰ্মাণ কৰা হয়।

খালৈঃ- বাঁহৰ মিহি কাঠিৰে মাটিৰ টেকেলী আকৃতিৰে গুঠি খালৈ নিৰ্মান কৰা হয়। এই সঁজুলী মাছ ধৰিবৰ বাবে ব্যৱহাৰ কৰা হয়।

বেত নিৰ্মিত  শিল্প ঃ- বেতেৰে বিচনী, বেগ, মেজ, চকী, ছোফা, দোলনা, বাকচ আদি অতি সুন্দৰ ভাৱে নিৰ্মাণ কৰা হয়।

কাঠ নিৰ্মিত শিল্প ঃ-  বাঁহৰ দৰে ব্যাপক ভাৱে নহ'লেও খাময়াং সমাজত কাঠেৰে বিভিন্ন সামগ্ৰী নিৰ্মাণ  কৰি ব্যৱহাৰ কৰা হয়। যাতায়তৰ ব্যৱস্থা হিচাপে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ নাওঁ, খেতিৰ সঁজুলি নাঙল, বিচনা, চকী, টেবুল, তাঁতশালৰ বিভিন্ন সজুলি আদি কাঠ-শিল্পৰ উৎকৃষ্ট উদাহৰণ। চালপীৰা, ঢেঁকী আদিৰ দৰে নিত্য ব্যৱহাৰ্য সামগ্ৰীত কাঠেৰে নিৰ্মাণ কৰা হয়।

ধাতু শিল্প ঃ- ধাতুজাত সামগ্ৰী- কাঁহ, পিতল, তাম, সোণ, ৰূপ আৰু লোৰে নিৰ্মাণ কৰা সামগ্ৰীসমূহ এই বিভাগৰ অন্তৰ্গত। অসমৰ কাঁহ-পিতলৰ কাৰিকৰে দৈনন্দিন ব্যৱহাৰ্য আৰু গৃহস্থলী সঁজুলি যেনে— বিভিন্ন ধৰণৰ কাঁহী, বিভিন্ন ধৰণৰ বাটি, খৰাহি,  লোটা, ঘটী,কলহ আদি        বিভিন্ন সজুলি খাময়াং সকলে ব্যৱহাৰ কৰে।

খাময়াং সকলে লোম, ৰূপ মূলতঃ অলংকাৰ হিচাপে ব্যৱহাৰ কৰে যদিও ধনী ব্যক্তিসকলে ইয়াৰে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী, যেনে— সোণ, ৰূপৰ ঠাল, চৰিয়া আদিও ব্যৱহাৰ কৰিছিল। খাময়াং সমাজত ব্যৱহৃত বিভিন্ন স্বৰ্ণাভৰণ কেৰু, মণি, থুৰীয়া, খাৰু, দুগ-দুগী, ঢোলবিৰি, জোনৰ দৰে গেজেৰা আদি ব্যৱহাৰ কৰিছিল। আগৰ দিনত খাময়াং ৰজা সকলেও নিজৰ মৰ্যদা অনুযায়ী অলংকাৰ পৰিধান কৰিছিল।

লোহা শিল্পৰ ক্ষেত্ৰত বিভিন্ন নিত্য ব্যৱহাৰ্য সামগ্ৰী কটাৰী, দা, কেৰাহী, আদি খাময়াং সকলে নিৰ্মাণ কৰি ব্যৱহাৰো কৰিছিল। খাময়াং লোকশিল্পৰ জগতখনও সচাঁকৈয়ে বহুধা বিভক্ত।

**২.০২ লোককলা ঃ-** লোকশিল্পই ব্যৱহাৰিক তথা অৰ্থনৈতিক দাবী পূৰণ কৰে, কিন্তু লোককলাই নান্দনিক আনন্দ প্ৰদান কৰে। লোকসমাজত পৰম্পৰাগত ভাৱে প্ৰচলিত হৈ অহা কলাই হ'ল লোককলা । লোকশিল্পৰ প্ৰতিটো উপাদানতে লোককলাৰ  ধৰ্ম অক্ষুন্ন থকা দেখা যায়। উদাহৰণস্বৰূপে— শিপিনীয়ে তাঁতশালত বৈ উলিওৱা চাদৰ-মেখেলা যোৰ

শিল্প, কিন্তু সেই এশ, ডেৰশ, তিনিশ কাঠীৰে ধুনীয়া ফুলডানিয়ে আমাক আনন্দ প্ৰদান কৰে অৰ্থাৎ কলাৰ কাৰ্য সাধন কৰে। ঠিক সেইদৰে কাঁহৰ বাতি, কাঁহী, আদিয়ে শিল্পৰ প্ৰকাশ সাধে, কিন্তু তাত যদি লতা বা তেনেধৰণৰ ফুল কাটি দিয়া হয় তেন্তে সি কলালৈ ৰূপান্তৰ হয়। এককথাত ক'বলৈ পাৰি শিল্প আৰু কলাৰ মাজত অগাংগী সম্বন্ধ আছে।

**২.০৩ লোক স্থাপত্যবিদ্যা ঃ-** লোক স্থাপত্যবিদ্যা বুলি ক'লে প্ৰধানত বাঁহেৰে নিৰ্মাণ কৰা ঘৰ-দুৱাৰ কথাকে বুজিব লাগিব । বাঁহৰ উপৰি বেত, ইকৰা, খেৰ আৰু কাঠো ইয়াৰ বাবে ব্যৱহাৰ কৰা হয়। খাময়াং ৰ লোকজীৱন মূলতঃ কৃষিভিত্তিক, সেয়ে থকা ঘৰৰ উপৰি ভঁৰালঘৰ, গোহালিঘৰ, ঢেঁকীশাল আদি বিভিন্ন ধৰনৰ ঘৰো নিৰ্মাণ কৰা হয়। খাময়াংৰ সমাজত বিবিধ প্ৰয়োজন মতে সজাঘৰবোৰৰ ভিতৰত — চ'ৰাঘৰ, বৰঘৰ, সৰুঘৰ, ৰান্ধনিঘৰ, ঢেঁকীশাল, তাঁতশাল, আদিয়েই প্ৰধান। পূৰ্বতে ঘৰ সাজোতে বতাহ সোমাব পৰাকৈ খিৰিকি দিয়া নহৈছিল। তাৰ ঠাইত জলঙা কাটিহে পোহৰ সোমোৱাৰ ব্যৱস্থা কৰা হৈছিল। ভঁৰালঘৰ পূৱফালে এমূৰে কেঁচাকৈ সজা হয়।

ঠিক সেইদৰে মৰালঘৰ বা তাৰ পিৰলিত ঢেঁকীশাল পতা হয়। গৰু-ম'হৰ বাবে গোহালি সজা হয়। খাময়াংসকলৰ যিহেতু চাংঘৰত বাস কৰে। তেওঁলোকৰ সুকীয়াকৈ কোনো ৰান্ধনিঘৰ নাথাকে। প্ৰথম সোমাই আহি জিৰণি ঘৰ (নি চাং) সজা হয়। আৰু মাজতে এখন জুই-শাল (টি- ফাই) সজা হয়।

অসমীয়া লোক সমাজত যিদৰে নামঘৰৰ স্থান অতিকৈ উচ্চ, ঠিক সেইদৰে খাময়াংসকলৰ বৌদ্ধ বিহাৰ অতিকৈ উচ্চ স্থান।

২.০৪ **লোক আভৰণ ঃ-** লোক আভৰণৰ ভিতৰত দুটা বিষয় অন্তৰ্ভুক্ত, যথা সাজপাৰ আৰু আ-অলংকাৰ বস্ত্ৰ পৰিধান কৰা ৰীতিৰ সহায়েৰে আমি লিংগ, বয়স, বিবাহিত, অবিবাহিত, সধবা, বিধবা, আদিৰ সংকেত পোৱাৰ উপৰি জাতি-বৰ্ণ-ধৰ্ম, ধনী-দুখীয়া আদিৰ প্ৰভেদো জানিব পাঁৰো। সাজপাৰৰ মাজেদি জাতিটোৰ সাংস্কৃতিক চেতনা, জাতীয়, ঐতিহ্য, সৌন্দৰ্যবোধ আদিৰ উমান পাব পাৰি।

খাময়াং সমাজতো সাজ-পাৰ এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

টাই খাময়াং মহিলাৰ সাজপাৰ—

তিব্বতবৰ্মী জনগোষ্ঠীৰ অন্যান্য মহিলাৰ দৰে খাময়াং মহিলাইয়ো তিনিখনীয়া সাজ পৰিধান কৰে। খাময়াং মহিলাৰ এই সাজ 'ফা-ছিন' 'নংৱাট' আৰু 'ফা-মাই'ৰ সংযোগত সৃষ্টি হৈছে। অতীতৰ টাই খাময়াং "বিবাহিতা মহিলাৰ সাধাৰণ সাজপাৰ বুলিলে গছৰ পাতেৰে নিজ হাতেৰে ৰং কৰা কপাহী ক'লা মেখেলা গোল ডিহিৰ দুয়োফালে তললৈ জেপ থকা এবিধ চুটি চোলা(থিয় চোলা), কঁকালত মৰা ঘৰতে বোৱা ডাঠ পেটি (চাইকপ) আৰু খুটি ৰিহা (কপাহী বা মুগাৰ) আদিয়ে প্ৰধান। গাভৰু ছোৱালীয়ে ঘৰতে নিজে হাতে বৈ লোৱা কপাহীৰ দীঘল গা-মোচাৰে বুকুত মেঠনি বান্ধি তাৰ ওপৰত এখন কাপোৰ আগফালৰ পৰা পিছলৈ বৈ পৰাকৈ কান্ধত পেলাই লৈছিল। নিম্ন অংশত ক'লা মেখেলা পৰিধান কৰিছিল। অলপ বয়সীয়া গাভৰুৱে মেঠনি এৰি ব্লাউজৰ দৰে চোলা পৰিধান কৰি আগফালে আজিকালিৰ দু পাট্টাৰ দৰে চাদৰ লৈছিল।

ফা-ছিন ঃ- টাই মুলীয়া সকলো মানুহেই একালত ক'লা কাপোৰ পিন্ধিছিল যদিও পাছলৈ ক'লা কাপোৰ পিন্ধাৰ পৰম্পৰা এৰি পেলায়। অৱশ্যে টাইমূলীয়া কেইবাটাও গোষ্ঠীৰ মহিলাসকলে বৰ্তমানেও ক'লা মেখেলা পৰিধান কৰে। এইসকলৰ ভিতৰত খাময়াং মহিলাও অন্যতম। টাই খাময়াং মহিলাই শৰীৰৰ নিম্নাংশত পৰিধান কৰা বস্ত্ৰখনৰ নাম ফা-চিন। ই দীঘলে ২.৫ মিটাৰ আৰু বহলে ১.৫ মিটাৰ। মেখেলাখনক দুয়োমূৰে জোৰা লগাই চিলাই থোৱা থাকে। খাময়াং

মহিলাই ব্যৱহাৰ কৰা মেখেলাৰ ৰং গাঢ় ক'লা। ইয়াত কোনো ফুল জালি নক্চা নাথাকে। মুগা সূতাৰ মেখেলা পিন্ধে যদিও কপাহী সূতাৰ মেখেলাহে তেওঁলোকৰ প্ৰিয়। ছোৱালীয়ে ক'লা মেখেলাত বিভিন্ন ৰঙৰ সূতাৰে ফুল বাছি লয়। মেখেলাত বছা ফুলবোৰ চঁপা ফুল, বেলি ফুল , নামে তেওঁলোকৰ সমাজত পৰিচিত।

**নংৱাট বা ৰিহাঃ-** খাময়াং মহিলাই পৰিদান কৰা কম প্ৰস্থৰ কাপোৰখনক নংৱাট বোলে। অসমীয়া সাজপাৰৰ অন্তৰ্গত ৰিহাৰ লগত নংৱাটৰ সাদৃশ্য আছে। উত্তৰ-পূৰ্বাঞ্চলৰ টাইগোষ্ঠীয় মহিলাসকলে দুই ধৰণৰ ৰিহা ব্যৱহাৰ কৰে। ইয়াৰে চুটি আৰু এবিধ দীঘল । খাময়াং মহিলাই চুটি ৰিহা ব্যৱহাৰ কৰে। ৰিহাবোৰ সাধাৰণতে বগা, এই ৰিহা যোৰ বা পাৰি দিয়া আৰু সাধাৰণভাৱে বোৱা হয়। উকা ৰিহা বোৱাৰ উপৰি ৰঙা, সেউজীয়া, ক'লা, চকলেট পাৰি যুক্ত ৰিহা তেওঁলোকে বৈ পৰিধান কৰে। পাৰি নথকা ৰিহাত বিভিন্ন ৰঙৰ সূতাৰে দুই আগত কেঁচ বছা আৰু পাৰি যুক্ত ৰিহাত পাৰিৰ ৰঙৰ সূতাৰে কেঁচ আৰু ডবুৱা বছা হয়। খাময়াং মহিলাসকলে ৰিহাত বিশেষকৈ খুটা দিয়া কেচ আৰু পোহাৰী কেছ বাছে, ৰিহাখন শুৱনি দেখাবলৈ কাষৰ পাৰি আৰু ফুলৰ লগত মিলাই বিভিন্ন ৰঙৰ সূতাৰে মূৰ দুটাত দহি বটা হয়। চুটি ৰিহাখন কঁকালত মেৰিয়াই পৰিধান কৰে। খাময়াং মহিলাই পৰিধান কৰা ৰিহাৰ দীঘ ডেৰ মিটাৰ আৰু বহল ডেৰ ফুটৰ পৰা দুফুট। আজিকালি মুগা, সেউজীয়া ৰঙৰ ৰিহাও পৰিধান কৰে।

**ফা-মাই বা চাদৰঃ-** টাই গোষ্ঠীৰ মহিলাই ব্যৱহাৰ কৰা চাদৰ বা ফা-মাইখন দীঘল ২.৫ মিটাৰ আৰু বহলে ৮০.৯০ ছেন্টিমিটাৰ। টাই খাময়াং মহিলাই ওখ বগা কপাহী ফা-মাই ব্যৱহাৰ কৰে। ফা-মাইখনৰ দুয়োমূৰে হালধীয়া সূতাৰে সৰুকৈ ফুল বছা থাকে। তেওঁলোকৰ চাদৰ লোৱাৰ নিদিষ্ট পদ্ধতি আছে। আজিকালি অসমীয়া মহিলাই পৰিধান কৰা যিকোনো ৰঙৰ পাৰি যুক্ত চাদৰ পৰিধান কৰে।

**চাইকপ বা কঁকালবন্ধা ঃ-** ফা- ছিনখন টানকৈ ধৰি ৰাখিবৰ বাবে খাময়াং মহিলাই কঁকালত চাইকপ মাৰে। চাইকপখনৰ সাধাৰণতে ৰঙা, হালধীয়া আঁচ আঁচ পৰা থকা চাইকপৰ দুই মূৰে সৰু নক্চা বন্ধা হয়। এই নক্চাক তেওঁলোকে 'কুকুৰা পেটু' বোলে। কেৱল বিবাহিত মহিলাই চাইকপ মাৰে।

**চ্যু বা চোলাঃ-** খাময়াং মহিলাসকলে এটা ঢিলা চোলা পৰিধান কৰে। ব্লাউজ সদৃশ এই চোলাটোকে চ্যু বোলে।

**ফা-হু ঃ-** বিবাহিত খাময়াং মহিলাই ফা-হু অৰ্থাৎ পাগুৰি পৰিধান কৰি চুলি আবৃত কৰি ৰাখে। দুকাষে বিভিন্ন ৰঙৰ পাৰি দিয়া কাপোৰ বৈ সেই কাপোৰেৰে পাগুৰি মাৰে।

**টাই-খাময়াং মহিলাৰ সাজপাৰৰ বিশেষত্বঃ-** টাই খাময়াং সকলৰ সাজপাৰে এটা উন্নত আৰু সুসভ্য জাতিৰ পৰিচয় দিয়ে। খাময়াং মহিলাৰ সাজে মূৰৰ পৰা ভৰিলৈকে সমগ্ৰ দেহ আবৃত কৰি ৰাখে।

টাই খাময়াং সমাজত ফোট লোৱা প্ৰথা নাই। মহিলাসকলৰ মাজত পাগুৰি মৰা প্ৰথা আছে। সাজপাৰৰ পৰিধানৰ ক্ষেত্ৰত খাময়াং সমাজত সধবা আৰু বিধৱাৰ পাৰ্থক্য নাই, অৱশ্যে ধৰ্মীয় বাধ্যবাধকতা কিছু নথকা নহয়। বৰ্ষা ব্ৰতৰ সময়ছোৱাত বেছি বিহাৰত সমবেত হোৱা সকলো চাইকপ টাই খাময়াং পুৰুষ মহিলাই বগা কাপোৰ পৰিধান কৰে। ভিক্ষুসকলে সকলো সময়তে কমলা ৰঙৰ পোছাক পৰিধান কৰে।

ক'লা ৰঙৰ ফুলাম মোনাটো টাই-খাময়াং সাজপাৰৰ লগত অপৰিহাৰ্যভাৱে জড়িত, তেওঁলোকে ফুৰা-চকা কৰিবলৈ যাওঁতে ঘৰতে বোৱা বিভিন্ন ৰঙৰে ফুল তোলা , দেখাত অতি ধুনীয়া এই মোনাটো লগত ৰাখে।

**টাই খাময়াং পুৰুষৰ সাজপাৰঃ-** ফা-লুং বা লুঙি , টাই খাময়াং পুৰুষসকলে দেহৰ নিম্নাংশত পিন্ধা পোছাক ফা-লুং । চ্যু ঃ- টাই কাময়াং পুৰুষে পৰিধান কৰা চোলাটো চ্যু বুলি পৰিচিত। ই সাধাৰণতে বগা। আজিকালি বিভিন্ন ৰঙৰ চ্যু পৰিধান কৰে।

ফা-ছেত ঃ- অসমীয়া সমাজত গামোছাৰ ব্যৱহাৰ যেনে টাই-খাময়াং সমাজত ফা-ছেতৰ ব্যৱহাৰো তেনে টাই খাময়াং

সকলে দৈনন্দিন জীৱন, সভা-সমিতি, ধৰ্মীয় কাম-কাজ, উপহাৰ আদি সংক্ৰান্তত ফা-ছেত ব্যৱহাৰ কৰে। বগা, নীলা, ৰঙা আৰু কমলা ৰঙৰ সংমিশ্ৰনেৰে এই ফা-ছেত তৈয়াৰ কৰা হয়।

**পাকখ বা পাগুৰিঃ**-টাই খাময়াং পৰিধেয় সাজৰ ভিতৰত পাক-খ অন্যতম আছিল যদিও বৰ্তমান ইয়াৰ ব্যৱহাৰ বিশেষ উপলক্ষতহে লক্ষ্য কৰা হয়।

মানুহৰ মনত থকা সৌন্দৰ্যবোধৰ পৰিচয় পোৱা যায় সাজপাৰৰ উপৰি দেহত পিন্ধা অলংকাৰৰ পৰা খাময়াংসকলে এই সৌন্দৰ্যবোধৰ প্ৰতি সততে সচেতন আছিল। ইয়াৰ প্ৰমাণ পোৱা যায় পৰিধান কৰা বিভিন্ন আ-অলংকাৰৰ পৰা টাই খাময়াং জীয়ৰী বোৱাৰীয়ে হাতত বেনটান (মুঠি খাৰু) বেন-কুং (শিকপটীয়া খাৰু) আৰু হাতৰ আঙুলিত লকছপোৰ (আঙুঠি) পৰিধান কৰে। ডিঙিত পয়-খাম বা পয় ড’ন (সোণ ৰূপৰ গেজেৰা মণি) গুটি মণি, খুটি মণি আৰু দাগৰ পাট(জেংফাই কেৰু) কাণত থুৰীয়া ব্যৱহাৰ কৰে। খাময়াং জীয়ৰীবোৱাৰীয়ে খোপা আটক ধুনীয়াকৈ সজাই তুলিবলৈ ব্যৱহাৰ কৰে কাত বগও (খোপাত মৰা ফুল)। খাময়াং কইনাই বেন-ফাক(গাম খাৰু) পৰিধান কৰে। উল্লিখিত পৰম্পৰাগত অলংকাৰসমূহৰ উপৰি বৰ্তমান বজাৰত পোৱা সকলো ধৰণৰ অলংকাৰেই খাময়াং মহিলাই পৰিধান কৰে। তদুপৰি বৌদ্ধ বিহাৰৰ ভ্ৰান্ত প্ৰদান কৰা মন্ত্ৰপুত মণি বা পাথৰ খাময়াং পুৰুষ মহিলা উভয়ে গভীৰ বিশ্বাসেৰে আঙুলি বা ডিঙিত পৰিধান কৰে।

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে খাময়াং লোকসমাজত বিবিধ আ-অলংকাৰ পূৰ্বৰে পৰা প্ৰচলন আছিল। বৰ্তমান ইয়াৰ বহু অলংকাৰ ব্যৱহাৰ কৰা দেখা নাযায়। মূলতঃ এয়া পৰিবৰ্তনশীল সময়ৰ প্ৰসৰ বুলি অনুমান কৰিব পাৰি

২.০৫ **লোক ৰন্ধন প্ৰণালী ঃ**- খাদ্য মানুহৰ মৌলিক প্ৰয়োজনবোৰৰ ভিতৰত এটা। সুৰুচিপূৰ্ণভাৱে জীৱন-নিৰ্বাহ কৰিব পৰাটোত সংস্কৃত সম্পন্ন মনোভাৱৰ উমান পোৱা যায়। ৰন্ধন প্ৰণালী হ’লে ইয়াৰে এই উপকৰণ।

টাই খাময়াংসকলৰ প্ৰধান খাদ্য ভাত। ভাপত সিজোৱা বৰা বা লাহী চাউলৰ ভাত তেওঁলোকৰ সচৰাচৰ ব্যৱহাৰিক খাদ্য। বিয়া নাইবা অন্যান্য উৎসৱত কৌপাতত ৰন্ধা বিশেষ এবিধ ভাত তৈয়াৰ কৰে এই ভাতক টোপোলা ভাত বোলে। এই টোপোলা ভাত চাউলখিনি পানীৰ পৰা টুকি তলৰ ফুটা থকা বাচন অথবা খৰাহিত ভৰাই দিয়ে। উতলি থকা পানীৰ পাত্ৰ এটাৰ ওপৰত চাউলৰ পাত্ৰটো উঠাই দিয়া হয়। চাউল থকা বাচনটোৰ পানীৰ ভাপখিনি যাতে বাহিৰলৈ যাব নোৱাৰে তাৰ কাৰণে এখন কাপোৰেৰে ঢাকি দি গৰম ভাপত সিজোৱা হয়। সিজাওতে ভাতখিনিত মাজে মাজে পানী চতিয়াই থাকে। সিজাৰ পাছত কাঢ়ি নিৰ্দিষ্ট পৰিমানৰ ভাত কৌপাতত এক বিশেষ পদ্ধতিৰে টোপোলা কৰি তৈয়াৰ কৰা হয়। টোপোলা ভাতৰ বাবে তেওঁলোকে ‘খামতী লাহী’ নামে পৰিচিত এবিধ ধানৰ চাউল ব্যৱহাৰ কৰে।

**চুঙা চাউলঃ**- এই চুঙা চাউলো খাময়াং সকলৰ অতি প্ৰিয় খাদ্য। ‘মাইলাম’ নামৰ বাঁহত এই ভাত সিজোৱা হয়।

আৰহমান কালৰে পৰা মানৱ জাতিয়ে নানা বিধ জন্তু আৰু চৰাইৰ-চিৰিকটিৰ মঙহ ভক্ষণ কৰি আহিছে। এই ক্ষেত্ৰত টাই খাময়াংসকলো ব্যতিক্ৰম নহয়। তেওঁলোকে খাদ্য হিচাপে গ্ৰহণ কৰা এনে মঙহৰ বিয়য়ে উল্লেখ কৰা হ’ল।

মাছ , জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ মঙহ

মাছ ঃ- টাই খাময়াংসকলে সকলো প্ৰকাৰৰ মাছেই খাদ্য হিচাপে গ্ৰহণ কৰে। মাছৰ ভিতৰত মাগুৰ, শিঙি, গৰুৱা, শাল তেওঁলোকৰ প্ৰিয়। তেওঁলোকে মাছ সাধাৰণতে পুৰি, পাতত দি, শুকুৱাই দি খায়।

গাহৰিঃ- গাহৰিৰ মঙহ টাই খাময়াং সকলৰ প্ৰিয় খাদ্য। এওঁলোকৰ বিবাহ উৎসৱত গাহৰিৰ মাংস অপৰিহাৰ্য। বইল কৰি খৰিচাত দি পুৰি এনেদৰে ৰান্ধি খাই খাময়াং সকলে অতি বেচি ভাল পায়।

শৰালি ঃ- শৰালি চৰাইৰ মাংস টাই খাময়াংসকলে গ্ৰহণ কৰে। ইয়াৰোপৰি খাময়াংসকলে কুকুৰা, হাঁহ, পাৰ আদি খাদ্য

গ্ৰহণ কৰে।

কীট- পতংগ ঃ- টাই খাময়াংসকলে কিছুমান কীট-পতংগও খাদ্য হিচাপে গ্ৰহণ কৰে।

যেনেঃ- আমৰলি পৰুৱাৰ টোপ খাদ্য হিচাপে গ্ৰহণ কৰে। এই টোপ খালে নাকৰ আৰু ডিঙিৰ অসুখৰ পৰা ৰক্ষা পোৱা যায় বুলি তেওঁলোকে বিশ্বাস কৰে। ছাকছুন লোকে ধৰাৰ ক্ষেত্ৰত এটা গীত টাই খাময়াং সমাজত প্ৰচলিত আছে—

চাকচন ঐ শীতলী শীতলী
মাৰ বাপেৰ আহিব গধূলি গধূলি
আম গছত নপৰিবি আম এঠা লাগিব
কঠাল গছত নপৰিবি কঁঠাল এঠা লাগিব
মোৰ গাত পৰিবি জাপ জাপ কৰিবি
তই হ'বি তেলেতীয়া
মই হ'ম বিলতীয়া।

শাক-পাচলি ঃ- খাময়াংসকল মূলতঃ কৃষিজীৱি । কৃষিজীৱি লোকে খাদ্য উপযোগী বিবিধ শস্য আৰু বনজ উদ্ভিদ চিনি পোৱাৰ লগতে সিবিলাকৰ গুৰুত্ব উপলব্ধি কৰিব। টাই খাময়াংসকলো ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁলোকে খাদ্য হিচাপে গ্ৰহণ কৰা বিভিন্ন উদ্ভিদসমূহ হ'ল নেফাফু, মেৰেঙা, ছেংমৰা, বনৰীয়া ভাত কেৰেলা, ওলকচু, কলমৌ বাঁহ গাজ, তৰা গাজ, ৰাইদাং গাঁজ, বহাল গাঁজ, তেলেতীয়া শাক ইত্যাদি। বনৰীয়া শাক সমূহ কিছুমান ভাজি পাতত দি বা সিদ্ধ কৰি কিছুমান মাছ-মাংসৰ লগত দি আৰু কিছুমান কেঁচাই খায়। 'প-ফাই-হ্‌ম লমৰ মছলা জাতীয় পাত আৰু নানা হালধী তেওঁলোকে মচলা হিচাপে ব্যৱহাৰ কৰে। মছলা হিচাপে ব্যৱহাৰ কৰা আন এবিধ গছ হৈছে 'মাজাত' সুগন্ধি এই মছলা আমিষ নিৰামিষ সকলো খাদ্যতে ব্যৱহাৰ কৰা হয়। শাক-পাচলিয়েই হওঁক বা মাছ-মাংসই হওঁক তেলত ভজাতকৈ পোৰা, খৰিচাত দিয়া , ভাপত দিয়া

টেঙা দিয়া , খাৰ দিয়া আদি খাময়াংসকলৰ অধিক প্ৰিয়।

টেঙা জাতীয় খাদ্য টাই খাময়াংসকলৰ প্ৰিয় । টাইখাময়াং সকলে খাদ্য হিচাপে গ্ৰহণ কৰা বিভিন্ন টেঙাসমূহ হ'ল— নলটেঙা, নল কুঁহিয়াৰ, মেজেঙা, বাঁহগজীয়া লতা, মধু সোলেং, থেকেৰা আদি এনে টেঙা জাতীয় শাক সমূহ মাছে বা অন্যান্য ব্যঞ্জনত ব্যৱহাৰ কৰে। টাই খাময়াংসকলে আন সক্ৰিয়াৰেও টেঙা খাদ্য প্ৰস্তুত কৰি সংৰক্ষণ কৰি খাদ্য হিচাপে ব্যৱহাৰ কৰে। এনে ধৰণে প্ৰস্তুত কৰা মাছৰ টেঙাকে 'পা-চোম' বোলে। 'পা' মানে মাছ আৰু 'চোম' মানে টেঙা। পা-চোম প্ৰস্তুত কৰিবৰ বাবে বিভিন্ন মাছ যেনেঃ- মাগুৰ, কাৱৈ, শিঙি, আদিৰ লগত ভাত মিলাই তাত নিমখ ছটিয়াই চুঙাত ভৰাই থয়। এনেদৰে ৫-৬ দিন চুঙাৰ মুখ বন্ধ কৰি থ'লে 'পা-চোম ' প্ৰস্তুত হয়। এক বিশেষ পদ্ধতিৰে তেওঁলোকে লাই শাক, মাছ, মাংস, টেঙা কৰি খায়। মাছ, মাংস, নাইবা লাইশাকত নিৰ্দিষ্ট পৰিমানৰ ভাত দি গাপ মাৰি দুই তিনিদিন তৈ দিয়ে। তিনি দিনৰ অন্তত তাৰ অলপ অলপ বেলেগ তৰকাৰীৰ লগতে মিহলাই খায়। শুকান মাছো খাময়াংসকলৰ প্ৰিয়। মাছ ধুই নিমখ হালধি সানি চালনিত শুকাবলৈ দি পাংয়াৰী অৰ্থাৎ শুকান মাছ তৈয়াৰ কৰে। শুকান মাংসও খাময়াং সকলে তৈয়াৰ কৰি খাই ভাল পায়।

টাই খাময়াং সমাজত খৰিচাৰ প্ৰভূত ব্যৱহাৰ লক্ষ্য কৰা যায়। বিভিন্ন মাছ আৰু মাংসৰ লগত খৰিচা লগাই খোৱাৰ উপৰি পিটিকা কৰি খোৱাৰ পৰম্পৰা আছে। খৰিচা দুবিধ — শুকান খৰিচা আৰু পকা খৰিচা। বাঁহৰ গাজ খুন্দি পানী দি কলহ নাইবা কাঁচৰ পাত্ৰত ভৰাই পকা খৰিচা তৈয়াৰ কৰা হয়। গুড়ি আৰু বাঁহ গাজ শুকুৱাই সংৰক্ষণ কৰিলে সেয়া হয় শুকান খৰিচা। কাঠফুলা খোৱাটো খাময়াংসকলৰ এক পৰম্পৰা। খাময়াংসকলে হাবিৰ পৰা বুটলি আনি ৰ'দত

শুকুৱাই কাঠফুলা সংৰক্ষণ কৰি বহু দিনলৈ ব্যৱহাৰ কৰে। লাই আৰু ছেংমৰা শাকৰ আচাৰ কৰি খাময়াংসকলে সংৰক্ষণ কৰে। বাকলি থকা মাছ আৰু বনৰীয়া পছু, গাহৰি মাংসৰ আচাৰো তেওঁলোকে প্ৰস্তুত কৰি বহু দিনলৈ খোৱাৰ উপযোগী কৰি ৰাখিব পাৰে।

টাই খাময়াংসকলৰ জা-জলপান মূলতঃ চাউলৰ পৰা প্ৰস্তুত কৰা হয়। চিৰা, মুৰি, লাডু, কোমল-চাউল, বৰা-চাউল, আদি বিভিন্ন ধৰণৰ জা-জলপান সমূহ খাময়াং প্ৰতিজন ব্যক্তিৰে আপোন।

# তৃতীয় অধ্যায়

**উপসংহাৰঃ-**প্ৰত্যেক জাতি-জনগোষ্ঠীৰ নিজৰ লোকসংস্কৃতি আছে। এই লোক সংস্কৃতিৰ প্ৰধান ভাগেই হৈছে 'ভৌতিক সংস্কৃতি'। সকলো জনগোষ্ঠীৰ নিজা ভৌতিক সংস্কৃতি আছে। ঠিক সেইদৰে টাই খাময়াং সকলৰো ভৌতিক সংস্কৃতি আছে। খাময়াং সকলৰ পূৰ্বতে চলি অহা সাজপাৰ, আ-অলংকাৰ, পৰম্পৰাগত খাদ্য, লোকশিল্প চাংঘৰ, ঢেঁকীশাল তাঁতশাল পৰম্পৰাগত কাম-কাজ সমূহৰ পৰিৱৰ্তন ঘটি লাহে লাহে বিলুপ্তি হ'ব ধৰিছে। এই পৰিৱৰ্তনসমূহে বহু ক্ষেত্ৰত পৰিশীলিত আৰু পৰিমাৰ্জিত ৰূপ প্ৰদান কৰিছে।

**সিদ্ধান্তঃ-** (১) অসমৰ লোক শিল্প সমূহক অসমীয়া জাতিৰ দৰে খাময়াং সকলৰ ব্যৱহাৰ মিল দেখা যায়।

(২) লোক-কলা আৰু লোক-শিল্প এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি।

(৩) মানুহৰ মনত থকা সৌন্দৰ্যবোধৰ পৰিচয় পোৱা যায় সাজপাৰ আৰু আ-অলংকাৰৰ পৰা।

(৪) খাময়াং সকলৰ প্ৰধান খাদ্য হ'ল ভাত।

**সহায়ক গ্ৰন্থপঞ্জীঃ-**


কাগ্য়ুং, ড° মৃণালী ঃ- অসমৰ সংস্কৃতি

শ্ৰী ৰমেশ প্ৰসাদ লড়িয়া

সৰস্বতী প্ৰকাশক, ভগৱতী প্ৰসাদ লডিয়া পথ

প্ৰথম প্ৰকাশকঃ আগষ্ট, ২০২০

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ- অসমৰ সংস্কৃতি

প্ৰথম প্ৰকাশক ১৯৭২ চন্দন দে (এম.এচ.চি) বীনা লইব্ৰেৰী কলেজ হোষ্টেল ৰ'ড, পানবজাৰ, গুৱাহাটী

**তথ্যদাতাৰ তালিকাঃ-**

(১) **চৈমেত শ্যাম**

লিংগঃ- পুৰুষ

বয়সঃ- ৮০

বৃত্তিঃ-কৃষক

ঠিকনাঃ- ১নং বালিজান শ্যাম গাঁও, তিতাবৰ

ডাকঃ- তিতাবৰ

তথ্য গ্ৰহণৰ তাৰিখঃ- ১৫-০৬-২০২২

(২) **গাৰ্গী শ্যাম**

লিংগঃ- মহিলা

বয়সঃ- ৩২

বৃত্তিঃ- গৃহিনী

ঠিকনাঃ- ১নং বালিজান শ্যাম গাঁও, তিতাবৰ

ডাকঃ- তিতাবৰ

তথ্য গ্ৰহনৰ তাৰিখঃ-১৫-০৬-২০২২

(৩) **বিমান শ্যাম**

লিংগ ঃ- পুৰুষ

বয়স ঃ-৪৫

বৃত্তি ঃ- শিক্ষক

ঠিকনা ঃ- ১নং বালিজান শ্যাম গাঁও, তিতাবৰ

ডাক ঃ- তিতাবৰ

তথ্য গ্ৰহণৰ তাৰিখ ঃ- ১৫-০৬-২০২২

# আলোকচিত্ৰ
## লোক-শিল্প



বয়ন শিল্প - তাঁতশাল



বাঁহ শিল্প- খৰাহী



কাঠ শিল্প - চকী



মৃৎ শিল্প - টেকেলি



বেতৰ শিল্প - বিচনী

## লোক স্থাপত্য বিদ্যা


চাংঘৰ


ভঁৰাল


বৌদ্ধ বিহাৰ

## লোক আভৰণ


নংৰাট (ৰিহা)


ফা-ছেত (গামোচা)

আ-অলংকাৰ



বেনটান (মুঠিখাৰু)



জাংফাই কেৰু-থুৰীয়া

লোক ৰন্ধন প্ৰণালী



টোপোলা ভাত



চুঙা চাউল

উৎস - ইন্টাৰনেট